জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

৩৩ সংখ্যা, ২০ ভাদ, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 33। DIBRUGARH, SATURDAY, SEPTEMBER 6, 2025। পৃষ্ঠা ১৬ (Pages

## পঞ্চমবাৰৰ বাবে অনলাইন মাধ্যমত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ৫ ছেপ্টেম্বৰ ঃ ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভাৰ এইবাৰৰ নিৰ্বাচনত দহগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। পঞ্চমবাৰৰ বাবে অনলাইন পদ্ধতিৰে অনুষ্ঠিত নিৰ্বাচনৰ ভোটদানৰ হাৰ আছিল ৬৮.২৫ শতাংশ। উক্ত নিৰ্বাচনত সভাপতি পদৰ প্ৰাৰ্থী আত্ৰেয় চেতিয়াই ১,২৮৪টা ভোট, সাধাৰণ সম্পাদকৰ পদত বেদব্যাস বড়িয়ে ১,৮৭৭টা ভোট, সমাজসেৱা সম্পাদকৰ পদত হৰ্ষিতা গগৈয়ে ১,৩৭৬টা ভোট, গুৰু ক্ৰীড়া সম্পাদকৰ পদত চয়ন শুভাংকৰ দাসে ১,৭১০টা ভোট আৰু সংগীত সম্পাদকৰ পদত জিমণি কোঁৱৰে ১,২৫৯টা ভোট লাভ কৰি জয়লাভ কৰে। সমান্তৰালভাৱে উপ-সভাপতি পদত চাণক্য বৰুৱা, আলোচনী আৰু সাহিত্য সম্পাদকৰ পদত ৰিয়া বৰুৱা, লঘু ক্ৰীড়া সম্পাদকৰ পদত সুস্মিতা চেত্ৰী, সাংস্কৃতিক সম্পাদকৰ পদত সৌৰভজ্যোতি দাস, তৰ্ক সম্পাদক পদত শিল্পী ফুকন, শৰীৰ চৰ্চা সম্পাদকৰ পদত ৰক্তিম গগৈ, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত দীপজ্যোতি কোঁৱৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ পদত ৰমিজা বেগমে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সক্ষম হয়। সহকাৰী সাধাৰণ সম্পাদকৰ পদত কোনো মনোনয়নপত্ৰ গৃহীত নোহোৱাৰ পৰিপ্ৰেক্ষিতত পদটি খালী হৈ ৰয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিৎ বৰুৱা, নিৰ্বাচন বিষয়া ডঃ অনন্ত কুমাৰ দত্ত প্ৰমুখ্যে নিৰ্বাচন প্ৰক্ৰিয়াটোৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছিষ্টেম ডেভলপাৰ কাকুল বেজবৰুৱাক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে এই নিৰ্বাচনত মহাবিদ্যালয় চৌহদত প্ৰৱেশ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ বিভিন্ন প্ৰান্তৰপৰা তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। বিগত ২০১৮ চনত মহাবিদ্যালয়খনে ডিজিটেল পদ্ধতিত পোনপ্ৰথমবাৰৰ বাবে ২০টা কম্পিউটাৰ ব্যৱহাৰ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পাছত ২০১৯ চনত এই ভোটদান প্ৰক্ৰিয়া সম্পূৰ্ণ অনলাইন পদ্ধতিলৈ উন্নীত কৰা হয় আৰু দেশৰ বিভিন্ন প্ৰান্তৰপৰা ছাত্ৰ-ছাত্ৰীয়ে ভোটদান সাব্যস্ত কৰিব পৰা হয়। ২০২১-২০২২ বৰ্ষৰপৰা ম'বাইলত এল এম এছ ছফটৱেৰৰ অধীনত ৱেব বেছড্ এপ্লিকেচনৰ মাধ্যমত সম্পূৰ্ণ অনলাইন পদ্ধতিত ভোটদান ব্যৱস্থা সংযোজন হয়। উল্লেখ্য যে ২০২২-২৩ শিক্ষাবৰ্ষৰপৰা শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ সম্পূৰ্ণ অনলাইন মাধ্যমত সম্পন্ন হৈ অহাৰ, লগতে চলিত বৰ্ষৰপৰা মহাবিদ্যালয়ৰ সকলো প্ৰশাসনিক কাম-কাজ কাগজবিহীনভাৱে সম্পূৰ্ণ অনলাইন মাধ্যমত সম্পন্ন কৰি মহাবিদ্যালয়খনে দেশৰ ভিতৰতে এক ব্যতিক্ৰমী পদক্ষেপ দেখুৱাবলৈ সক্ষম হৈছে।

